**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-Sept-2025

***Assamese Evening Bulletin***
***HEADLINES***

১।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অৰ্থনৈতিক আৰু সাংস্কৃতিক শক্তি হিচাপে ভাৰতৰ পৰিচয় শক্তিশালী কৰি তোলাৰ বাবে সমূহীয়া প্ৰয়াসৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

২।	ভাৰতৰ জাহাজ নিৰ্মাণ আৰু সামুদ্ৰিক পৰিস্থিতিতন্ত্ৰৰ বিকাশৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীসভাই ৬৯ হাজাৰ ৭২৫ কোটি টকাৰ পুঁজিত অনুমোদন দিছে।

৩।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰীৰ স্মৃতিচিহ্নৰ ই-নিলাম ব্যৱস্থাৰ সপ্তম সংস্কৰণত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ নাগৰিকসকলক আহ্বান জনাইছে।

৪।	ছত্তিশগড়ৰ দান্তেৱাড়া জিলাত আজি ৭১জন মাওবাদীয়ে সুৰক্ষা বাহিনীৰ ওচৰত আত্মসমৰ্পন কৰে।

আৰু

৫।	এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত আজি ভাৰত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অৰ্থনৈতিক শক্তি হিচাপে ভাৰতৰ ক্ৰমাগতভাৱে বিকশিত ৰূপৰ লগতে সাংস্কৃতিক শক্তি হিচাপে দেশখনৰ পৰিচয় শক্তিশালী কৰি তোলাৰ বাবে সমূহীয়া প্ৰয়াসৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীৰ ললিত কলা একাডেমীত আয়োজিত ৬৪ সংখ্যক ৰাষ্ট্ৰীয় কলা প্ৰদৰ্শনীত অংশ লৈ দিয়া ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে সাংস্কৃতিক ঐতিহ্যক সমৃদ্ধিশালী কৰি তোলা আৰু সমাজখনক অধিক সংবেদনশীল কৰি তোলাৰ বাবে কলাক এবিধ শক্তিশালী মাধ্যম বুলি অভিহিত কৰে। ভাৰতীয় কলা-সংস্কৃতিৰ ক্ৰমাগতভাৱে উন্নতি সাধন হৈ অহাৰ লগতে ই নতুন উচ্চতা লাভ কৰিছে বুলিও তেওঁ মত প্ৰকাশ কৰে।

ললিত কলা একাডেমীয়ে এই বৰ্ষত শিল্পীসকলৰ শিল্পকৰ্ম বিক্ৰীৰ ব্যৱস্থা কৰা কাৰ্যত তেওঁ সন্তোষ প্ৰকাশ কৰে। তেওঁ কয়, যে ইয়াৰ জৰিয়তে শিল্পীসকলে আৰ্থিক দিশৰ পৰা সকাহ লাভ কৰাৰ লগতে দেশৰ অৰ্থনীতিকো এই ব্যৱস্থাই শক্তিশালী কৰি তুলিব। শ্ৰীমতী মুৰ্মুৱে লগতে কয় যে নিজৰ শিল্পকৰ্মৰ উপযুক্ত মূল্য লাভ কৰাৰ ফলত শিল্পীসকল উৎসাহিত হোৱাৰ উপৰি কলাক বৃত্তি হিচাপে গ্ৰহণ কৰিবলৈ আগ্ৰহী লোকসকলো সমানেই উৎসাহিত হ'ব।

অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে কয় যে শিল্প আৰু সৃষ্টিশীলতাই এখন দেশৰ পৰিচয় দাঙি ধৰে। তেওঁ কয় যে শিল্প যেতিয়া গৃহ, বিদ্যালয়, প্ৰতিষ্ঠান আৰু ৰাজহুৱা স্থানৰ অংশ হৈ পৰে তেতিয়াই ই ৰাষ্ট্ৰীয় চেতনাৰ অবিচ্ছেদ্য অংশ হৈ পৰে। আজিৰ অনুষ্ঠানত সংস্কৃতি মন্ত্ৰালয়ৰ সচিব বিবেক আগৰৱাল আৰু ললিত কলা একাডেমীৰ উপাধ্যক্ষ ড০ নন্দলাল ঠাকুৰ উপস্থিত থাকে।

০০০০০০০০০

———ভাৰতৰ জাহাজ নিৰ্মাণ আৰু সামুদ্ৰিক পৰিস্থিতিতন্ত্ৰৰ বিকাশৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীসভাই আজি ৬৯ হাজাৰ ৭২৫ কোটি টকাৰ পুঁজিত অনুমোদন দিছে। নতুন দিল্লীত সাংবাদিকৰ আগত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে এই পুঁজি দীৰ্ঘম্যাদী বিত্তীয় ব্যৱস্থাৰ সংস্কাৰ, ঘৰুৱা সামৰ্থ্য শক্তিশালী কৰা তথা গ্ৰীণফিল্ড আৰু ব্ৰাউনফিল্ড জাহাজ মেৰামতিৰ স্থানৰ বিকাশৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হ'ব। তেওঁ কয় যে এই পুঁজিয়ে কাৰিকৰী সামৰ্থ্য আৰু দক্ষতা বৃদ্ধি কৰি উন্নত সামুদ্ৰিক আন্তঃগাঁথনি গঢ়ি তোলাৰ বাবে আইনী, কৰ আৰু নীতিগত সংস্কাৰ সাধন কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে কয় যে এই পুঁজিৰ অধীনত জাহাজ নিৰ্মাণ বিত্তীয় সাহায্য আঁচনিৰ ম্যাদ ২০৩৬ চনৰ ৩১ মাৰ্চলৈ বৃদ্ধি কৰা হ'ব। এই সকলোবোৰ পদক্ষেপৰ ৰূপায়ণ কাৰ্যকৰী কৰাৰ বাবে এটা ৰাষ্ট্ৰীয় জাহাজ নিৰ্মাণ অভিযান আৰম্ভ কৰা হ'ব বুলি শ্ৰীবৈষ্ণৱে প্ৰকাশ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰীৰ স্মৃতিচিহ্নৰ ই-নিলাম ব্যৱস্থাৰ সপ্তম সংস্কৰণত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ নাগৰিকসকলক আহ্বান জনাইছে। উল্লেখযোগ্য যে pmmementos.gov.in ৱেব ছাইটৰ জৰিয়তে সম্প্ৰতি চলি থকা এই ই-নিলাম ব্যৱস্থাৰ অহা ২ অক্টোবৰত সামৰণি পৰিব। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে এনেদৰে নিলাম চলি থকা সামগ্ৰীসমূহৰ ভিতৰত দেশৰ সংস্কৃতি আৰু সৃষ্টিশীলতাৰ নিদৰ্শন দাঙি ধৰা ভালেমান অতি সুন্দৰ সামগ্ৰীও আছে। উল্লেখযোগ্য যে চলিত বৰ্ষত এই ই-নিলাম ব্যৱস্থাই সামৰি লোৱা সামগ্ৰীসমূহৰ ভিতৰত দেশৰ ভিন ভিন স্থানৰ এহেজাৰ ৩০০ বিধতকৈও অধিক একক পৰিচয়ৰ সামগ্ৰীয়ে স্থান লাভ কৰিছে। এই নিলাম ব্যৱস্থাৰ জৰিয়তে সংগৃহিত ধন 'নমামী গংগে প্ৰকল্প'ৰ নামত ব্যয় কৰা হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰীয় উন্নয়নৰ গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে ভাৰতৰ স্বাস্থ্য সেৱা খণ্ডৰ পৰিৱৰ্তনৰ ওপৰত আলোকপাত কৰে। শ্ৰীমোদীয়ে প্ৰখ্যাত হৃদৰোগ শল্য চিকিৎসক বিশেষজ্ঞ ডাঃ দেৱীপ্ৰসাদ চেট্টীৰ **স্বাস্থ্যৰ সৈতে উৎপাদনশীলতাৰ বন্ধন** শীৰ্ষক প্ৰবন্ধ এটা শ্বেয়াৰ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে গুৰুত্ব আৰোপ কৰে যে আয়ুষ্মান ভাৰত পোষণ অভিযান আৰু স্বচ্ছ ভাৰতৰ নিচিনা অভিযানসমূহে কেৱল জনস্বাস্থ্য উন্নত কৰাই নহয়, বৰঞ্চ ৰাষ্ট্ৰৰ অৰ্থনীতিও সবল কৰে। শ্ৰীমোদীয়ে স্বাস্থ্যক বিনিয়োগ হিচাপে লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে যিয়ে শাসন পদ্ধতি আৰু সমৃদ্ধি উন্নত কৰে।

০০০০০

নিৰ্বাচন আয়োগে জম্মু-কাশ্মীৰৰ পৰা ৰাজ্যসভাৰ চাৰিখন আসনৰ বাবে দ্বিবাৰ্ষিক নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। ২০২১ চনৰ ফেব্ৰুৱাৰীৰ পৰাই এই আসনকেইখন খালী হৈ আছে। আয়োগে পাঞ্জাৱৰ পৰা ৰাজ্যসভাৰ এখন আসনৰ বাবেও উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। এই আসনখন চলিত বছৰৰ জুলাই মাহত সঞ্জীৱ অৰোৰাই পদত্যাগ কৰাৰ পৰিপ্ৰেক্ষিতত খালী হৈ আছে। অহা মাহৰ ৬ তাৰিখে নিৰ্বাচনৰ অধিসূচনা জাৰি কৰা হ'ব। ভোটগ্ৰহণ আৰু ভোটগণনা অহা ২৪ অক্টোবৰত অনুষ্ঠিত হ'ব বুলি আয়োগৰ সূত্ৰই জানিবলৈ দিছে।

০০০০০০

ছত্তিশগড়ৰ দান্তেৱাড়া জিলাত আজি ৭১জন মাওবাদীয়ে সুৰক্ষা বাহিনীৰ ওচৰত আত্মসমৰ্পন কৰে। ইয়াৰ ভিতৰত ২০ গৰাকী মহিলা সদস্যও আছে। ইয়াৰে ৩১জন মাওবাদীৰ বিনিময়ত মুঠ ৬৪ লাখ টকাৰ

পুৰস্কাৰ ঘোষণা কৰা হৈছিল। জিলাখনত মাওবাদীৰ বিৰুদ্ধে চলোৱা ল'ন ৱাড়াটো অৰ্থাৎ ঘৰলৈ ঘূৰি অহা অভিযানৰ ফলস্বৰূপে এই মাওবাদীকেইজনে আত্মসমৰ্পন কৰে। মাওবাদীসকলে এই খণ্ডত বিভিন্ন উগ্ৰবাদী কাম-কাজৰ সৈতে জড়িত হৈ আহিছিল। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে ছত্তিশগড় চৰকাৰৰ পুনৰসংস্থাপন নীতিৰ অধীনত আত্মসমৰ্পনকাৰী মাওবাদীকেইজনক প্ৰত্যেককে ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। তেওঁলোকক লগতে দক্ষতা বিকাশ প্ৰশিক্ষণকে ধৰি অন্যান্য সুবিধা প্ৰদান কৰা হ'ব।

০০০০০০

পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰে ভাৰতৰ পৰোক্ষ কৰ ব্যৱস্থা সৰলীকৰণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। যোৱা ২২ ছেপ্তেম্বৰত এই নতুন ব্যৱস্থা ৰূপায়ণ কৰা হৈছে আৰু জনসাধাৰণে বৰ্তমান জি এছ্ টি সংস্কাৰৰ সুবিধা লাভ কৰিবলৈ সমৰ্থ হৈছে। এই নতুন ব্যৱস্থাৰ অধীনত জি এছ্ টি পৰিষদে পূৰ্বৰ ৫ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ জি এছ্ টিৰ সৰলীকৰণ কৰি ইয়াক বৰ্তমান ৫ আৰু ১৮ শতাংশ কৰিছে। সামগ্ৰী আৰু সেৱাৰ বিস্তৃত ক্ষেত্ৰত কৰৰ বোজা হ্ৰাস কৰাৰ জৰিয়তে জনসাধাৰণক যথেষ্ট সকাহ প্ৰদান কৰা হৈছে।

চৰকাৰে খাদ্য সামগ্ৰীত গুৰুত্বপূৰ্ণ কৰ ৰাহি কৰি জনসাধাৰণৰ ব্যয় কম কৰিছে। সেই অনুসৰি আলমণ্ড, হেজেলনাট, খেজুৰ আৰু ডিমৰুৰ দৰে শুকান খাদ্যসামগ্ৰীৰ জি এছ্ টি ১২ৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। একেদৰে মধুমেহ ৰোগীৰ আৰ্থিক ব্যয় কম কৰাৰ বাবে এনে লোকৰ বাবে উপযোগী সামগ্ৰীত জি এছ্ টি পূৰ্বৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। সকলোৰে বাবে স্বাস্থ্যকৰ জীৱন যাপন তথা স্বাস্থ্য উপযোগী খাদ্য গ্ৰহণত সুবিধা হোৱাকৈ এই ব্যৱস্থা লোৱা হৈছে।

০০০০০০

কংগ্ৰেছে ৮৫ বছৰৰ পাছত বিহাৰৰ পাটনাত কাৰ্যকৰী সমিতিৰ বৈঠকৰ আহ্বান কৰা বিষয়টোৰ বিজেপিয়ে সমালোচনা কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ আগত বিজেপিৰ জ্যেষ্ঠ নেতা তথা সাংসদ ৰবিশংকৰ প্ৰসাদে কয় যে কংগ্ৰেছ দলে ৰাজনৈতিক ক্ষমতা লাভৰ বাবে বিহাৰক লৈ হঠাৎ আগ্ৰহ দেখুৱাইছে। কংগ্ৰেছে কেতিয়াও বিহাৰক গুৰুত্ব দিয়া নাছিল বুলি উল্লেখ কৰি শ্ৰীপ্ৰসাদে কংগ্ৰেছে প্ৰয়াত জগজীৱন ৰামক ভাৰতৰ প্ৰধানমন্ত্ৰী হ'বলৈ নিদিলে আৰু স্বাধীনতা আন্দোলনৰ মহান যুঁজাৰু লোকনায়ক জয়প্ৰকাশ নাৰায়ণক আটক কৰোৱালে বুলি অভিযোগ কৰে।

০০০০০০

এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত আজি ভাৰত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত ডুবাই ক্ৰিকেট ষ্টেডিয়ামত আৰম্ভ হ'ব। আজিৰ খেলত জয়লাভ কৰা দলটোৱে প্ৰতিযোগিতাৰ ফাইনেলত স্থান লাভ কৰাটো নিশ্চিত হ'ব। উল্লেখযোগ্য যে আজিৰ খেলত ভাগ ল'বলগীয়া দুয়োটা দলেই ছুপাৰ ফ'ৰ পৰ্যায়ৰ নিজৰ নিজৰ প্ৰথম খেলত ইতিমধ্যে জয়লাভ কৰিছে। ভাৰতে এই পৰ্যায়ৰ প্ৰথমখন খেলত পাকিস্তানক পৰাভূত কৰি প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বী দলটোৰ বিৰুদ্ধে দ্বিতীয়বাৰৰ বাবে বিজয় সাব্যস্ত কৰে। বাংলাদেশে ছুপাৰ ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত শ্ৰীলংকাক পৰাস্ত কৰে।

০০০০০০০

প্ৰসিদ্ধ কানাড়া লেখক ড০ এছ্ এল ভাইৰাপ্পাৰ আজি বিয়লি বেংগালুৰুত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৪ বছৰ। বিশিষ্ট লেখকগৰাকীয়ে ২৫খনৰো অধিক উপন্যাস ৰচনা কৰিছিল।

ইয়াৰ ভিতৰত ভমছ্‌ছাভ্ৰুক্‌ছা, ডাটু, পড়ৱা, আৱৰণ, নয়ী নেৰালু আদি অন্যতম। ২০২৩ চনত তেওঁক পদ্মভূষণ সন্মানেৰে সন্মানিত কৰাৰ লগতে ২০১০ চনত তেওঁক সৰস্বতী সন্মান প্ৰদান কৰা হৈছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ড০ ভাইৰাপ্পাৰ বিয়োগত শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয় যে বিশিষ্ট লেখকগৰাকীয়ে সাহিত্য, সংস্কৃতি আৰু দৰ্শনৰ ক্ষেত্ৰলৈ উল্লেখনীয় বৰঙণি আগবঢ়াই থৈ গৈছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও কানাড়া ঔপন্যাসিকগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

০০০০০০০

নতুন দিল্লীত আজিৰে পৰা আই এছ এছ এফ জুনিয়ৰ বিশ্বকাপ শ্যুটিং প্ৰতিযোগিতা আৰম্ভ হৈছে। মূল ইভেণ্টৰ খেলসমূহ কাইলৈৰ পৰা আৰম্ভ হ'ব। ২০২৪ৰ পেৰিছ অলিম্পিয়ান ৰাইজা ধিলন আৰু এছিয়ান ট্ৰেপ চেম্পিয়ন ছাবিৰা হেৰিছ সহ ৬৯জনীয়া ভাৰতীয় দলটো আই এছ্‌ এছ্‌ এফ জুনিয়ৰ বিশ্ব কাপ ২০২৫ত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাজু হৈছে। ড০ কৰ্ণি সিং শ্যুটিং ৰেঞ্জত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ অহা ২ অক্টোবৰত সামৰণি পৰিব।

০০০০০০০

সমাপ্ত